# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-07-2024
**Time :** 19-10 Hrs.

## *Assamese Evening Bulletin*
## *HEADLINES*

১। সংসদৰ উভয় সদনত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক লৈ আলোচনা আৰম্ভ হৈছে।

২। ৰেলমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে ৰেল বাজেটৰ এটা গুৰুত্বপূৰ্ণ অংশ ৰেলগাড়ীৰ সুৰক্ষা বৃদ্ধিৰ বাবে আৱণ্টন কৰা হৈছে।

৩। গোলকীয় দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত ২৫ শতাংশ অৱদানেৰে ভাৰতে বিশ্বৰ ভিতৰত শীৰ্ষস্থান লাভ কৰিছে। ***আৰু***

৪। বাংলাদেশে আজি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ **বি**ৰ এখন খেলত মালয়েছিয়াক ১১৪ ৰাণত পৰাস্ত কৰে।

০০০০০

লোকসভাত ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটক লৈ আলোচনা আৰম্ভ হৈছে। আলোচনাৰ পাতনি মেলি কংগ্ৰেছৰ কুমাৰী চেলজাই কৰ্মসংস্থাপনহীনতাৰ বিষয় উল্লেখ কৰে। সাংসদগৰাকীয়ে কয় যে, দিনক দিনে দেশত এই সমস্যা বৃদ্ধি পাইছে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ বিভাগসমূহত খালী হৈ থকা পদসমূহ পূৰণৰ বাবে চৰকাৰে কিয় ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি প্ৰশ্ন উত্থাপন কৰে। কংগ্ৰেছ নেতৃগৰাকীয়ে অগ্নীবীৰ আঁচনিখনক লৈ চৰকাৰক সমালোচনা কৰে আৰু আঁচনিখন প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়। চৰকাৰে বাজেটত খেতিয়ক আৰু শ্ৰমিকসকলক আওকান কৰা বুলি তেওঁ অভিযোগ তোলে। সাংসদগৰাকীয়ে কয় যে, চৰকাৰে ন্যূনতম সমৰ্থনমূল্য সন্দৰ্ভত খেতিয়কসকলক আইনী নিশ্চয়তা প্ৰদান কৰা উচিত আৰু শ্ৰমিকসকলৰ বাবে কমেও ৪ শ টকাৰ দৈনিক মজুৰী ধাৰ্য কৰিব লাগে।

আলোচনাত অংশগ্ৰহণ কৰি বিজেপিৰ বিপ্লৱ কুমাৰ দেৱে কয় যে, ২০১৪ চনত বিজেপি চৰকাৰ ক্ষমতালৈ অহাৰ সময়ত ভাৰত অৰ্থনৈতিকভাৱে দুৰ্বল বিশ্বৰ ৫ খন দেশৰ ভিতৰত আছিল। তেওঁ কয় যে নৰেন্দ্ৰ মোদী চৰকাৰে অৰ্থনৈতিক ব্যৱস্থা স্বচ্ছ কৰি তুলিছে। শ্ৰী দেৱে কয় যে, অৰ্থনৈতিক সমীক্ষাত ২০২৪ -২৫ বৰ্ষত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশৰ হাৰ ৬ দশমিক ৫ শতাংশৰ পৰা ৭ শতাংশৰ ভিতৰত থাকিব বুলি অনুমান কৰা হৈছে। তেওঁ ২০২৪-২৫ বৰ্ষৰ বাজেটখনক দেশৰ আৱশ্যকতা কেন্দ্ৰিক বুলি অভিহিত কৰে। সাংসদগৰাকীয়ে কয় যে, ২০২৩-২৪ বৰ্ষৰ তুলনাত এইবাৰ বাজেটত ১৮ শতাংশ অধিক মূলধনী ব্যয়ৰ প্ৰস্তাৱ দিয়া হৈছে আৰু ইয়াৰ পৰা বাজেটত যে আন্তগাঠনি তথা কৰ্মসংস্থাপনত অধিক গুৰুত্ব আৰোপ কৰা হৈছে সেয়া স্পষ্ট হৈ পৰিছে। নৰেন্দ্ৰ মোদী চৰকাৰে বিত্তীয় আৰু সামাজিক খণ্ডত লোৱা বিভিন্ন পদক্ষেপৰ কথা সাংসদগৰাকীয়ে উল্লেখ কৰে। সমাজবাদী পাৰ্টীৰ বীৰেন্দ্ৰ সিঙে আলোচনাত ভাগ লৈ বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে বাজেটত উত্তৰপ্ৰদেশক আওকান কৰা বুলিও অভিযোগ তোলে। তেওঁ ইয়াক যুক্তৰাষ্ট্ৰীয় গাঠনিৰ ওপৰত হোৱা আক্ৰমন বুলি আখ্যা দিয়ে।

আলোচনাত অংশ লৈ তৃণমূল কংগ্ৰেছৰ সাংসদ অভিষেক বেনাৰ্জীয়ে কৰ্মসংস্থাপন, বিমুদ্ৰাকৰণ আৰু বিৰোধী নেতাসকলৰ বিৰুদ্ধে কেন্দ্ৰীয় সংস্থাসমূহৰ অপব্যৱহাৰৰ বিষয় লৈ চৰকাৰক তীব্ৰ সমালোচনা কৰে। কেন্দ্ৰীয় চৰকাৰ নিজৰ প্ৰতিশ্ৰুতি আৰু নিশ্চয়তা পূৰণত ব্যৰ্থ হোৱা বুলি তেওঁ অভিযোগ তোলে। সাংসদগৰাকীয়ে নীটৰ বিষয় লৈও চৰকাৰক আক্ৰমনৰ লক্ষ্য কৰি লয়। অলপতে হোৱা ৰেল দুৰ্ঘটনাৰ কথা উল্লেখ কৰি শ্ৰীবেনাৰ্জীয়ে কয় যে বাজেটত ৰেল সুৰক্ষাৰ বিষয়ে একো উল্লেখ কৰা হোৱা নাই। তেওঁ লগতে এইবাৰৰ বাজেটখন দুখীয়াৰ পৰিপন্থী বুলি অভিযোগ তোলে।

ডি এম কেৰ দয়ানিধি মাৰানে বাজেটত তামিলনাডুক অবহেলা কৰা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে মূল্যবৃদ্ধিৰ বাবে দেশৰ জনসাধাৰণ জিয়াতু ভুগিবলগীয়া হৈছে বুলি মন্তব্য কৰে। তেওঁ লগতে অপ্ৰত্যাশিত কৰ সন্দৰ্ভত শ্বেতপত্ৰ প্ৰকাশ কৰিবলৈ দাবী জনায়।

ৰাজ্যসভাতো বাজেটক লৈ আলোচনা আৰম্ভ হৈছে। উচ্চ সদনত আলোচনা আৰম্ভ কৰি কংগ্ৰেছ সাংসদ পি চিদাম্বৰমে কৰ্মসংস্থাপনহীনতা আৰু মুদ্ৰাস্ফীতিৰ বিষয় উত্থাপন কৰে। কৰ্মসংস্থাপনহীনতা সবাতোকৈ ডাঙৰ সমস্যা বুলি অভিহিত কৰি তেওঁ কয় যে, উৎপাদন আধাৰিত উদগণি আঁচনিয়ে দেশত যথেষ্ট কৰ্মস্থাপন সৃষ্টি কৰা নাই। কেন্দ্ৰীয় বাজেটত কৰ্মসংস্থাপনৰ সৈতে জড়িত উদগণি আঁচনি ঘোষণা কৰাক লৈ সাংসদগৰাকীয়ে প্ৰশ্নৰ অৱতাৰণা কৰে। শ্ৰীচিদাম্বৰমে কয় যে, মুদ্ৰাস্ফীতিৰ বাস্তৱিক পৰিসংখ্যা বহু বেছি। বিত্তমন্ত্ৰীয়ে বাজেটত এই বিষয়ে বিশেষ একো কোৱা নাই বুলি তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় বাজেটত একাংশ ৰাজ্যৰ সৈতে বৈষম্যৰ বিষয়টো উত্থাপন কৰি কংগ্ৰেছ সাংসদগৰাকীয়ে কয় যে, বিহাৰ আৰু অন্ধ্ৰপ্ৰদেশে এইবাৰৰ বাজেটত অতিৰিক্ত পুঁজি লাভ কৰিছে। তেওঁ লগতে অগ্নিপথ আঁচনি আৰু নীট পৰীক্ষা বাতিল কৰিবলৈ দাবী জনায়।

আলোচনাত ভাগ লৈ বিজেপিৰ ড০ ৰাধন মোহন দাস আগৰৱালে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত ১০ বছৰত বিভিন্ন ক্ষেত্ৰত লাভ কৰা সাফল্যত আলোকপাত কৰে। তেওঁ কয় যে, চৰকাৰে আৰম্ভ কৰা জন ধন যোজনাই দেশৰ কোটি কোটি লোকলৈ বেংকিঙ সেৱা আগবঢ়াইছে। গ্ৰামাঞ্চলৰ ১৪ কোটিৰো অধিক পৰিয়াললৈ নলযোগে খোৱাপানী যোগান ধৰা হৈছে বুলি সাংসদগৰাকীয়ে প্ৰকাশ কৰে। ড০ ৰাধন মোহনে কয় যে, আয়ুষ্মান ভাৰত আঁচনি দেশৰ দৰিদ্ৰ লোকসকললৈ স্বাস্থ্য সেৱা প্ৰদান কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ বুলি প্ৰমাণিত হৈছে। বিভিন্ন ক্ষেত্ৰত দেশৰ বিকাশৰ উজ্বল উদাহৰণ দি সাংসদগৰাকীয়ে কয় যে, দেশত ৮ শতাংশৰো অধিক বিকাশ হাৰেৰে কৰ্মসংস্থাপনৰ লাখ লাখ সুযোগ সৃষ্টি হৈছে। ইউ পি এ চৰকাৰক সমালোচনা কৰি তেওঁ কয় যে, ২০১২-১৩ বৰ্ষত দেশত বিত্তীয় ঘাটি ১০ শতাংশৰো অধিক আছিল আৰু এই ঘাটি সম্প্ৰতি প্ৰায় ৫ শতাংশলৈ হ্ৰাস পাইছে। বৰ্তমানৰ চৰকাৰৰ দিনত জনমুৰী আয়ো বৃদ্ধি পাইছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

বিশ্বৰ দুগ্ধ উৎপাদনত ২৫ শতাংশ অৱদানেৰে দুগ্ধ উৎপাদনত ভাৰতে শীৰ্ষ স্থান লাভ কৰিছে। বিগত ৯ বছৰত দেশৰ দুগ্ধ উৎপাদনৰ বাৰ্ষিক বিকাশ দৰ প্ৰায় ৬ শতাংশ হাৰত বৃদ্ধি পাইছে। ইয়াৰ বিপৰীতে প্ৰতি বছৰে বিশ্ব দুগ্ধ উৎপাদন বৃদ্ধিৰ হাৰ হৈছে ২ দশমিক ১ শতাংশ। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত মীন, পশুপালন আৰু দুগ্ধ উৎপাদন মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কয় যে, সমবায় আৰু ব্যক্তিগত ডেইৰীসমূহে উৎপাদন ব্যয় আৰু বজাৰৰ ওপৰত ভিত্তি কৰি গাখীৰৰ ক্ৰয় মূল্য আৰু বিক্ৰী মূল্য নিৰ্ণয় কৰে।

০০০০০

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কৈছে যে, দেশৰ গণতন্ত্ৰক দুৰ্বল কৰা আৰু সমাজত বিভেদৰ সৃষ্টি কৰিব পৰা ভূৱা আৰু বিভ্ৰান্তিকৰ তথ্য প্ৰচাৰ তথা বিয়পোৱা ব্যৱস্থাসমূহ নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ। লোকসভাত আজি এটা প্ৰশ্নৰ লিখিত উত্তৰত তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয় যে বিভিন্ন সংবাদমাধ্যমত প্ৰকাশিত ভূৱা বাতৰিসমূহৰ সৈতে মোকাবিলা কৰিবলৈ চৰকাৰৰ ওচৰত বৈজ্ঞানিক আৰু প্ৰতিষ্ঠানগত প্ৰণালী আছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰৰ সৈতে জড়িত ভূৱা বাতৰিসমূহৰ প্ৰত্যুত্তৰ দিয়াৰ উদ্দেশ্যে ২০১৯ চনৰ নৱেম্বৰত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ প্ৰেছ ইনফৰমেশ্বন ব্যুৰোৰ অধীনত এটা তথ্য নীৰিক্ষণ গোট এফ চি ইউ গঠন কৰি দিয়া হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে কয় যে, প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াই ২০২১ চনৰ পৰা ২০২৪ চনৰ সময়ছোৱাৰ ভিতৰত মহাৰাষ্ট্ৰৰ ৫ টা গোচৰ নিষ্পত্তি কৰিছে।

ooooo

সীমান্ত সুৰক্ষা বাহিনী বি এছ এফ, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, চি আই এছ এফ আৰু ৰেলৱে সুৰক্ষা বাহিনী আৰ পি এফকে ধৰি কেন্দ্ৰীয় সশস্ত্ৰ বাহিনীসমূহ প্ৰাক্তন অগ্নিবীৰসকলক বাহিনীত অন্তৰ্ভুক্ত কৰাৰ বাবে সাজু হৈছে। বি এছ এফৰ সঞ্চালকপ্ৰধান নীতিন আগৰৱালে কৈছে যে প্ৰাক্তন অগ্নিবীৰসকলক বাহিনীটোত নিযুক্তিৰ বাবে ১০ শতাংশ সংৰক্ষণ আৰু বয়সৰ ক্ষেত্ৰত ৰেহাই প্ৰদান কৰা হ'ব।

চি আই এছ এফৰ সঞ্চালক প্ৰধান নীনা সিঙে কৈছে যে, গৃহ মন্ত্ৰালয়ৰ সিদ্ধান্ত অনুসৰি বাহিনীটো অগ্নিবীৰসকলক অন্তৰ্ভুক্ত কৰাৰ বাবে সাজু হৈছে। প্ৰাক্তন অগ্নিবীৰসকলক কণিষ্টবলৰ পদত ১০ শতাংশ সংৰক্ষণ আৰু বয়স তথা শাৰিৰীক পৰীক্ষাৰ ক্ষেত্ৰত ৰেহাই প্ৰদান কৰা হ'ব। একেদৰে আৰ পি এফৰ সঞ্চালকপ্ৰধান মনোজ যাদৱে কৈছে যে, ৰেলৱে সুৰক্ষা বাহিনীয়ে বয়স আৰু শাৰিৰীক দক্ষতাৰ পৰীক্ষাৰ ক্ষেত্ৰত প্ৰাক্তন অগ্নিবীৰসকলক ৰেহাই প্ৰদান কৰিব।

ooooo

বাংলাদেশে আজি শ্ৰীলংকাৰ ডাম্বুলা আন্তৰ্ৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ **বি**ৰ এখন খেলত মালয়েছিয়াক ১১৪ ৰাণত পৰাস্ত কৰে। মালয়েছিয়াই ১৯২ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ টা উইকেট হেৰুৱাই ৭৭ ৰাণ কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে বাংলাদেশে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ২ টা উইকেটৰ বিনিময়ত ১৯১ ৰাণ সংগ্ৰহ কৰে। ইফালে একেখন ষ্টেডিয়ামতে অনুষ্ঠিত গ্ৰুপ বিৰ আন এখন খেলত শ্ৰীলংকা থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত থাইলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈ ১ অভাৰত এটা উইকেট হেৰুৱাই ৯ ৰাণ সংগ্ৰহ কৰি খেলি আছিল।

ooooo

সমাপ্ত